## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ অষ্টম  বিষয় ঃ ভাষা-১ (অসমীয়া)  চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে কাল আৰু পুৰুষবাচক বিভক্তিৰ বিষয়ে জানিব পাৰিব।

⇨ প্ৰসঙ্গ সঙ্গতি দৰ্শাই ব্যাখ্যা লিখিব পাৰিব।

⇨ শব্দ সম্ভাৰ বা অভিধান চাই শব্দৰ অৰ্থ বিচাৰি লিখিব পাৰিব।

⇨ ভাল কামৰ জৰিয়তে কিদৰে সংস্কৃতি গঢ়াত সহায় কৰে সেই বিষয়ে নিজে চিন্তা কৰি লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি চতুৰ্থ সাময়িকী (অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) সুখ | - | পাঠ নং ১২ |
| খ) হোমী জাহাংগীৰ ভাবা | - | পাঠ নং ১৩ |
| গ) সংস্কৃতি আৰু আমাৰ জীৱন | - | পাঠ নং ১৪ |
| ঘ) শিশুলীলা | - | পাঠ নং ১৫ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত 'শিক্ষাৰ অধিকাৰ আইন-২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশুৰ নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱাৰ প্ৰতি আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

ভাষা শিক্ষণৰ মূল উদ্দেশ্যই হৈছে ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ চাৰিওটা কৌশল (শ্ৰৱণ, কথন, পঠন আৰু লিখন)ৰ বিকাশ ঘটোৱা। নিম্ন প্ৰাথমিক পৰ্যায়ত শ্ৰৱণ আৰু কথনত অধিক গুৰুত্ব প্ৰদান কৰা হয় যদিও উচ্চ প্ৰাথমিক শ্ৰেণীত পঠন আৰু লিখন কৌশলৰ পূৰ্ণ বিকাশতহে অধিক গুৰুত্ব প্ৰদান কৰিবলগীয়া হয়। পৰ্যায়ক্ৰমে ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ লিখন কৌশল আহৰণ কৰে আৰু অষ্টম শ্ৰেণীত পূৰ্ণ পৰ্যায়ৰ লিখন কৌশল আয়ত্ব কৰিব পাৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বাবে উপযুক্ত গল্প, কবিতা, প্ৰৱন্ধ, ৰচনা, জীৱনী আদি পঢ়ি বুজি নিজা শৈলীৰে লিখিব পাৰিব লাগে। চিঠি-পত্ৰ, আৱেদন, সভাৰ অৰ্থ বিৱৰণী, কোনো ঘৰুৱা বা ৰাজহুৱা অনুষ্ঠানৰ প্ৰত্যক্ষ অভিজ্ঞতা, কোনোবাই কোৱা কথা বা কাহিনী গল্প আদি নিজাকৈ লিখিবলৈ সমৰ্থ হ'ব লাগে। কিন্তু কাৰ্যক্ষেত্ৰত আমাৰ বিদ্যালয়সমূহৰ অষ্টম শ্ৰেণীৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ওপৰত উল্লেখ কৰা পৰ্যায়ৰ লিখন কৌশল আয়ত্ত কৰা দেখা নাযায়। বাক্যত উপযুক্ত শব্দৰ প্ৰয়োগ, শুদ্ধ বানান, জতুৱা ঠাঁচ, খণ্ডবাক্য, ব্যাকৰণৰ বিভিন্ন ৰূপসমূহ শুদ্ধৰূপত ব্যৱহাৰ কৰিলেহে লিখনিসমূহ শুদ্ধ আৰু সৰ্বাংগসুন্দৰ হৈ উঠে।
বিগত বৰ্ষৰ গুণোৎসৱৰ ফলাফলৰ প্ৰতিবেদনত লিখন কৌশল মূল্যায়নৰ বাবে দিয়া শ্ৰুতলিপি ফলাফল সন্তোষজনক নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ হাতৰ আখৰ একেবাৰে বেয়া। বৰ্ণ আৰু বৰ্ণৰ মাজৰ ব্যৱধান, শব্দৰ মাজৰ ব্যৱধান সৰহ সংখ্যকেই লিখনিত প্ৰয়োগ কৰা দেখা নাযায়। যুক্তাক্ষৰযুক্ত শব্দ, একে উচ্চাৰণৰ বেলেগ অৰ্থ বুজোৱা শব্দৰ বানান, শ, ষ, স ৰ ব্যৱহাৰ, মূৰ্ধন্য আৰু দন্ত্য বৰ্ণ ব্যৱহাৰৰ ক্ষেত্ৰত বহুতে ভুল কৰা দেখা যায়।

ওপৰত উল্লেখ কৰা এই শিকন ঘাটিবোৰ পুনৰ অষ্টম শ্ৰেণীত সম্পূৰ্ণৰূপে পূৰণৰ ব্যৱস্থা লোৱাটো সম্ভৱ নহয়; ওপৰত উল্লিখিত বিষয়সমূহ ছাত্ৰ-ছাত্ৰীসকলে পৰ্যাপ্তভাৱে অনুশীলন কৰি নাহে। গতিকে লিখনৰ এই

শিকন ঘাটিসমূহ পূৰাবৰ বাবে সময়ে সময়ে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক পুনৰ অনুশীলন কৰোৱাৰ প্ৰয়োজন আছে। এই সমল সামগ্ৰীটোত চতুৰ্থ সাময়িকীৰ পাঠ 'সুখ' (পাঠ নং ১২), 'হোমি জাহাংগীৰ ভাবা' (পাঠ নং ১৩), ''সংস্কৃতি আৰু আমাৰ জীৱন' (পাঠ নং ১৪), ''শিশুলীলা (পাঠ নং ১৫), অন্তৰ্ভুক্ত কৰা হৈছে। এই পাঠ চাৰিটাত কবিতা পঢ়ি বুজি মূলভাৱ লিখিব পৰা, বিভিন্ন পংক্তি ব্যাখ্যা কৰিব পৰা, পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা, শব্দ সম্ভাৰ আৰু অভিধান চাই শব্দৰ অৰ্থ লিখিব পৰা আৰু সংস্কৃতিৰ বিভিন্ন বিষয়বোৰ বুজি লিখিব পৰা আদি লিখনৰ অৰ্হতাসমূহ সন্নিবিষ্ট কৰা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

শিক্ষণ-শিকন প্ৰক্ৰিয়াত লিখনৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। লিখন কৌশল আয়ত্তকৰণত প্ৰভাৱ বিস্তাৰ কৰা গুৰুত্বপূৰ্ণ বিষয়বোৰ হৈছে—

- ⇨ লিখনৰ শুদ্ধতা নিশ্চত কৰা
- ⇨ বানানৰ শুদ্ধতা নিশ্চত কৰা
- ⇨ পাঠ্যপুথি অথবা পাঠ্যপুথি বহিৰ্ভূত যিকোনো প্ৰশ্নোত্তৰ লিখিব পৰা
- ⇨ কবিতাৰ পংক্তি, গদ্যৰ দফা, যিকোনো ব্যাখ্যমূলক বিষয় বহলাই লিখিব জনা
- ⇨ যতি, বিৰাম চিহ্নৰ সঠিক ব্যৱহাৰ কৰি লিখনিত ভাৱ প্ৰকাশ কৰিব পৰা
- ⇨ শব্দৰ অৰ্থ বুজি বাক্যত প্ৰয়োগ কৰিব পৰা

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী—**

এই সমল সামগ্ৰী প্ৰস্তুত কৰাৰ মূল উদ্দেশ্য হ'ল— অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখনৰ শিকন ঘাটি পূৰণৰ বাবে শ্ৰেণীকোঠাত শিক্ষকে যাতে ওপৰঞ্চি নতুন কাৰ্যব্যৱস্থা ল'ব পৰা যায় তাৰ বিষয়ে অৱগত কৰা।
এই সমল সামগ্ৰীত ১২ নং, ১৩, ১৪, ১৫ নং পাঠত থকা ক্ৰিয়াকলাপৰ উপৰি শিক্ষকৰ সহায় হ'ব পৰাকৈ সন্নিবিষ্ট কৰা অতিৰিক্ত ক্ৰিয়াকলাপৰ অনুশীলন কৰি শিক্ষকে যাতে শিক্ষণ শিকন প্ৰক্ৰিয়াক আৰু বেছি ফলপ্ৰসূ কৰিব পাৰে সেইটো সুনিশ্চিত কৰা।

ওপৰত উল্লিখিত লিখনৰ সকলোবোৰ শিকন ঘাটি পূৰণৰ ব্যৱস্থা এই সমল সামগ্ৰীটোত সামৰিব পৰাটো সম্ভৱ নহয়, সেয়েহে এই সমল সামগ্ৰীটোত পাঠভিত্তিক প্ৰশ্নোত্তৰ লিখা, প্ৰসঙ্গ সংগতি লগাই ব্যাখ্যা লিখিব পৰা, শব্দ সম্ভাৰ বা অভিধান চাই শব্দৰ অৰ্থ লিখিব পৰা— এই বিষয়কেইটাৰ শিকন ঘাটিহে সামৰি পোৱা হৈছে।

**এই সমলটোৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম ?**

পাঠভিত্তিক প্ৰশ্নোত্তৰ আৰু শব্দৰ অৰ্থ বিচাৰি উলিয়াবৰ বাবে কিছুমান ক্ৰিয়াকলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক—

- ⇨ জড়িতকৰণৰ বাবে পৰিৱেশ সৃষ্টি কৰিব পাৰিম।
- ⇨ বিষয়বস্তু বোধগম্য হোৱা সুযোগ সৃষ্টি কৰিব পাৰিম।
- ⇨ নতুন নতুন ক্ৰিয়া-কলাপ পৰিকল্পনা কৰিব পাৰিম।
- ⇨ শব্দাৰ্থ বিচাৰি উলিওৱাৰ বিভিন্ন পদ্ধতি সম্পৰ্কে অৱগত কৰাব পাৰিম।
- ⇨ অভ্যাস অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ লিখনত দেখা দিয়া দুৰ্বলতাসমূহ দূৰ কৰিব পাৰিম।
- ⇨ অবিৰত মূল্যায়নৰ যোগেদি ছাত্ৰ-ছাত্ৰীক অৰ্হতাসম্পন্ন কৰাৰ লগতে আমি শিক্ষকসকলে আত্ম মূল্যায়নৰো সুবিধা পাম।

এই সমলটোত ছাত্ৰ-ছাত্ৰীয়ে কৰিবলগীয়া শিক্ষা-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল—

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
| (ক) পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা | অংকুৰণ<br>অষ্টম ভাগ | দলগত যুৰীয়া শিকন | (১) 'হোমি জাহাংগীৰ ভাবা' নামৰ পাঠটিৰ পৰা তলৰ প্ৰশ্ন কেইটাৰ উত্তৰ লিখা—<br>ক) হোমি জাহাংগীৰ ভাবাৰ সপোন কি আছিল? এই সপোন কিয় ফলৱতী নহ'ল?<br>খ) 'হোমি জাহাংগীৰ ভাবাই ভাৰতবৰ্ষক ভাল পাইছিল'— এই কথা পাঠটোৰ আধাৰত ব্যাখ্যা কৰা। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| (খ) পাঠ্যপুথিৰ পাঠৰ জটিল শব্দসমূহৰ অৰ্থ, শব্দ সাধন আৰু অভিধান চাই লিখিব পৰা<br>(গ) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰিব পৰা | অংকুৰণ,<br>(অষ্টম ভাগ)<br>শব্দৰ কাৰ্ড<br>(অসমীয়া অভিধান)<br><br>পাঠ্যপুথি | দলগত শিকন | শব্দ সম্ভাৰ আৰু অভিধান চাই তলৰ শব্দসমূহৰ অৰ্থ লিখা— স্বাৰ্থ, দিনকণা, উৎসৱ-পাৰ্বণ, পেটপূজা, কাম্পৈ, প্ৰতিফলিত<br><br>'সুখ' কবিতাটোৰ এটা স্তৱক ব্যাখ্যা কৰা। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ**

পাঠভিত্তিক প্ৰশ্ন পঢ়ি, বুজি উত্তৰ লিখিব পৰা কৰি তুলিবলৈ লোৱা ব্যৱস্থাৱলী—

মণিময় বৰুৱাই অষ্টম শ্ৰেণীত অসমীয়া পঢ়ুৱায়। তেখেতে পাঠভিত্তিক প্ৰশ্নোত্তৰবোৰ ছাত্ৰ-ছাত্ৰীক নিজে লিখি নিদি ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে কেনেকৈ কৰোৱাব পাৰি তাৰ বাবে এটা চেষ্টা চলাই চাইছে। অষ্টম শ্ৰেণীৰ 'অংকুৰণ'ৰ পাঠ নং-১৪ 'সংস্কৃতি আৰু আমাৰ জীৱন' শীৰ্ষক পাঠটি এই কাৰ্যটোৰ বাবে বাছি লৈছিল। মণিময় বৰুৱাই কেনেদৰে ছাত্ৰ-ছাত্ৰীক জড়িত কৰি এই কাৰ্যটো কৰিছিল তেওঁৰ পৰাই শুনোঁ আহক—

পূৰ্ব পঠন কাৰ্য কৰাৰ পাছত পাঠটি মই নিজে পঢ়ি শুনালোঁ। পঢ়ি শুনোৱা কথাখিনি ছাত্ৰ-ছাত্ৰীৰ বোধগম্য হৈছেনে নাই সুধিলোঁ। তাৰ পিছত পাঠৰ শেষত থকা এটা প্ৰশ্ন সমূহীয়াকৈ সুধিলোঁ। প্ৰশ্নটো এনে ধৰণৰ— বাহ্যিক আৰু অভ্যন্তৰীণ সংস্কৃতিৰ প্ৰভেদ কি? তেতিয়া দেখা গ'ল যে দুই এজনৰ বাহিৰে বাকীসকলে প্ৰশ্নটোৰ উত্তৰ দিব পৰা নাই।

এতিয়া ছাত্ৰ-ছাত্ৰীসকলক দুজনীয়াকৈ দল গঠন কৰি দিলোঁ। প্ৰতিটো দলতে একোখনকৈ 'অংকুৰণ' উলিয়াই ল'বলৈ দি 'সংস্কৃতি আৰু আমাৰ জীৱন' পাঠটিত থকা বাহ্যিক আৰু আভ্যন্তৰীণ সংস্কৃতিৰ প্ৰভেদ এই প্ৰশ্নটো থকা দফাটো উলিয়াবলৈ কলোঁ। যিসকলে পঢ়িব নাজানে তেওঁলোকক চিনাক্ত কৰি এটা পৃথক দল গঠন কৰি ললোঁ। এজন পঢ়িব নজনা ছাত্ৰৰ লগত এজন পঢ়িব পৰা ছাত্ৰ লগ কৰি যুৰীয়া দল গঠন কৰি ললোঁ। বাছি উলিওৱা দফাটো দলসমূহক বাৰে বাৰে পঢ়িবলৈ কলোঁ।

এনেদৰে কেইবাবাৰো পঢ়িবলৈ দিয়াৰ পাছত প্ৰত্যেককে নিজৰ নিজৰ বহীত দুটা ভাগ কৰি বাহ্যিক আৰু অভ্যন্তৰীণ সংস্কৃতিৰ বিষয়ে লিখিবলৈ দিলোঁ। প্ৰত্যেকৰে ওচৰলৈ গৈ উত্তৰবোৰ লিখিব পাৰিছেনে নাই লক্ষ্য কৰিলোঁ।

ছাত্ৰ-ছাত্ৰীয়ে নিজে নিজে প্ৰশ্ন উত্তৰবোৰ লিখিব পাৰিলেনে নাই চাবৰ বাবে বহীবোৰ সংগ্ৰহ কৰি ল'লোঁ। বহীবোৰ চাই দেখিলোঁ যে সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উত্তৰবোৰ শুদ্ধকৈ লিখিবলৈ সক্ষম হৈছে। মই দেখিলোঁ

যে বাৰে বাৰে অনুশীলন কৰিলে পাঠবোৰ ছাত্ৰ-ছাত্ৰীয়ে বুজি পায় আৰু পাঠভিত্তিক উত্তৰ কৰাত সহজ হয়।

তাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক 'হোমি জাহাংগীৰ ভাবা' নামৰ পাঠটো পঢ়িবলৈ দি একে ধৰণৰ ক্ৰিয়া-কলাপৰ পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিবলৈ দিলোঁ। এই ক্ৰিয়া-কলাপটো কৰি ছাত্ৰ-ছাত্ৰীসকলে বৰ আনন্দ আৰু নতুন অভিজ্ঞতা লাভ কৰিলে।

***বিঃ দ্ৰঃ বৰুৱা চাৰে শ্ৰেণীত থকা বিশেষভাৱে সক্ষম ছাত্ৰীজনীৰ বাবে বিশেষভাৱে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল।***

**চিন্তা কৰি চাওঁ আহক—**

⇨ ছাত্ৰ-ছাত্ৰীসকলে পাঠভিত্তিক প্ৰশ্নবোৰৰ উত্তৰ লিখি উলিওৱাত হ'ব পৰা জটিলতা আঁতৰ কৰিবলৈ মণিময় বৰুৱা ছাৰে কি পদক্ষেপ ল'লে?

⇨ ছাত্ৰ-ছাত্ৰীক বিষয়বস্তুৰ সৈতে বাৰে বাৰে জড়িতকৰণৰ ক্ষেত্ৰত বেলেগ পদক্ষেপ ল'ব পাৰিলেহেঁতেন নেকি?

**দলগত কাৰ্যৰ জৰিয়তে আলোচনা**

যদি কোনো ছাত্ৰ-ছাত্ৰীৰ লিখনৰ অভ্যাস নাথাকে তেন্তে তেওঁলোকক দলীয় কাৰ্য কিছুমানৰ জৰিয়তে লিখন অভ্যাস কৰাৰ পাৰোঁ। দলীয় কাৰ্যৰ জৰিয়তে এটা পাঠ বুজি পোৱাত ইজন সিজনৰ সহায়ক হয়, তেওঁলোকৰ চিন্তাধাৰাৰ বিকাশ ঘটে; লগতে উন্নত লিখনৰ অভ্যাস হয়।

**ক্ৰিয়া-কলাপ-১ ঃ** শ্ৰেণীকোঠাত দলীয়ভাৱে পাঠ্যপুথিৰ প্ৰশ্নসমূহৰ উত্তৰ লিখনৰ চেষ্টা—

অষ্টম শ্ৰেণীৰ ভাষাৰ পাঠ্যপুথি 'অংকুৰণ'ৰ 'হোমি জাহাংগীৰ ভাবা' নামৰ পাঠটিৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিবলৈ দিব পাৰি।

শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক ৫টা দলত ভাগ কৰি ল'ব। প্ৰত্যেক দলৰ পৰা একোজনকৈ দলপতি বাছি দিব। তেওঁলোকে দলৰ আলোচনাবোৰ লিখিব। প্ৰতিটো দলকে পাঠটোৰ একোটাকৈ দফা পঢ়িবলৈ দিব আৰু পঢ়াৰ পিছত দফাটোৰ পৰা সম্ভাব্য প্ৰশ্নবোৰ বাছি উলিয়াই বহীত লিখিবলৈ দিব।

প্ৰত্যেকটো দলৰ ওচৰলৈ গৈ তেওঁলোকৰ কাৰ্য গতিবিধি লক্ষ্য কৰিব। চাব যাতে দলীয় কাৰ্যটোৰ বিষয়ে তেওঁলোকে ভালকৈ বুজি পাইছে আৰু প্ৰশ্নবোৰ বাছি উলিওৱাত পাকৈত হৈছে। চাব লাগিব যাতে আলোচনাটোত প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী জড়িত হৈ এটাকৈ হ'লেও প্ৰশ্ন উলিয়াব পাৰে।

প্ৰশ্নবোৰ বাছি উলিওৱাৰ পাছত প্ৰশ্নোত্তৰ সম্পৰ্কে দলত আলোচনা হ'ব। দলত আলোচনা কৰি দলৰ প্ৰত্যেকে নিজৰ বহীত উত্তৰসমূহ লিখি যাব। শেষ হ'লে প্ৰত্যেক দলৰ দলপতিজনে প্ৰশ্নোত্তৰবোৰ পঢ়ি শুনাব। আনবোৰ দলে দফাটো উলিয়াই প্ৰশ্ন আৰু উত্তৰবোৰ শুনি যাব। এনেকৈ প্ৰতিটো দলে প্ৰশ্নোত্তৰবোৰ পঢ়িব আৰু বাকী দলে শুনিব। এনেদৰে ছাত্ৰ-ছাত্ৰীয়ে দলীয় কাৰ্যৰে পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিবলৈ সক্ষম হ'ব। শিক্ষকে ভুলবোৰ আঙুলিয়াই শুদ্ধ কৰি দি কাৰ্যটো বাৰে বাৰে অনুশীলন কৰালে ছাত্ৰ-ছাত্ৰীৰ লিখনৰ বিকাশ ঘটিব।

**ক্ৰিয়া-কলাপ-২ ঃ** শব্দ সম্ভাৰ আৰু অভিধান চাই শব্দাৰ্থ শিকা —

শিক্ষকে অষ্টম শ্ৰেণীৰ 'অংকুৰ'ৰ ১২ নং, ১৩ নং, ১৪ নং, ১৫ নং, পাঠৰ পৰা কিছুমান শব্দ বাছি উলিয়াই ল'ব লাগিব। আৰ্ট পেপাৰৰ পৰা ৫টা শব্দৰ অৰ্থ লিখিব পৰাকৈ ৮খন কাৰ্ড কাটি ল'ব। প্ৰতিখন কাৰ্ডত ৫টাকৈ শব্দ লিখিব। চাব লাগিব যাতে কাৰ্ডখনত লিখা ৫টা শব্দৰ অন্ততঃ দুটা অভিধানত চাবলগীয়া হয়। ছাত্ৰ-ছাত্ৰীসকলক তিনিজনীয়কৈ ৮টা দল গঠন কৰি প্ৰতিটো দলকে একোখনকৈ কাৰ্ড বিলাই দিব। এতিয়া প্ৰতিটো দলকে একোখনকৈ অভিধান দিব। লগতে তেওঁলোকৰ পাঠ্যপুথি 'অংকুৰণ'ত ওপৰত উল্লিখিত পাঠকেইটা উলিয়াই ল'বলৈ দিব। শিক্ষকে তেওঁলোকক নিৰ্দেশনা দিব যে তেওঁলোকে কাৰ্ডত থকা শব্দসমূহ অভিধান বা শব্দ সম্ভাৰত চাই সেইবোৰৰ অৰ্থবোৰ লিখিব লাগে। ছাত্ৰ-ছাত্ৰীয়ে আনন্দ মনেৰে কাৰ্যটো কৰিবলৈ আগবাঢ়ি যাব। কাৰ্ডখনত অৰ্থবোৰ লিখাৰ পিছত প্ৰতিটো দলে নিজৰ শিক্ষকক পঢ়ি শুনাব। ভুল হ'লে শিক্ষকে শুধৰণি কৰিব। তাৰ পাছত

প্ৰতিটো দলে তেওঁলোকক দিয়া কাৰ্ডৰ পৰা শব্দবোৰ নিজৰ বহীত লিখি লব। এনেদৰে প্ৰতিটো দলৰে কাৰ্ডসমূহ সালসলনি কৰি শব্দাৰ্থবোৰ সকলোৱে নিজৰ নিজৰ বহীত লিখিব। এনে কাৰ্যৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে হাতে-কামে শব্দাৰ্থবোৰ উলিয়াই আনন্দ পাব আৰু আগলৈ এনে কাৰ্য কৰাৰ প্ৰতি আগ্ৰহী হ'ব। শ্ৰেণীকোঠাত এই কাৰ্যটো বাৰে বাৰে অনুশীলন কৰালে ছাত্ৰ-ছাত্ৰীৰ শব্দ সম্ভাৰ চহকী হ'ব। শব্দাৰ্থবোৰ উলিওৱাৰ পাছত ছাত্ৰ-ছাত্ৰীক সেই শব্দেৰে বাক্য সাজিবলৈ দিব পাৰি।

**বিঃ দ্ৰঃ**

⇨ ***শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব দিব লাগিব।***

⇨ ***শব্দাৰ্থ অধিক জানিবৰ বাবে ছাত্ৰ-ছাত্ৰীক প্ৰতিদিনে অভিধান চাই পাঁচটাকৈ শব্দাৰ্থ লিখিবলৈ দিয়াৰ লগতে সেই শব্দবোৰৰ আধাৰত বাক্য সাজিবলৈ দিব।***

**সাৰাংশ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ এনে ধৰণৰ পাঠ দানৰ পিছত দেখা যাব যে বিভিন্ন পাঠ বোধগম্য হৈছে আৰু পাঠভিত্তিক প্ৰশ্নৰ উত্তৰবোৰ লিখিব পৰা হৈছে। এই ক্ৰিয়া-কলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল অকনো আমনি বোধ নকৰাকৈ শব্দাৰ্থ লিখা কামত জড়িত হোৱা দেখা গৈছে। যি কোনো পাঠ পঢ়ি, প্ৰশ্ন উত্থাপন কৰি উত্তৰসমূহ উলিওৱাটো ছাত্ৰ-ছাত্ৰীৰ সহজসাধ্য হৈছে। অৰ্থাৎ,পঠন বোধগম্য হৈছে। শব্দ সম্ভাৰ চহকী হৈছে। এনেদৰে বিভিন্ন কাৰ্যত ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰি শিক্ষকে শিক্ষণ-শিকন প্ৰক্ৰিয়াত নতুনত্ব আনিছে।

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন। ওপৰত উল্লিখিত শিকনৰ ফলাফলৰ সৈতে জড়িত কৰি আমি ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীকোঠাত তলত দিয়া প্ৰশ্নবোৰ লিখিবলৈ দিওঁ আহক —

**দৃঢ়ীকৰণ ঃ**

⇨ বাতৰি কাকতৰ দফা, অষ্টম শ্ৰেণীৰ সময়োপযোগী আলোচনীৰ দফা আদি পঢ়ি তাৰ পৰা কেইটামান প্ৰশ্ন লিখি উলিওৱা।

⇨ সুখ কবিতাটোৰ ২নং আৰু ৩নং স্তৱক দুটাৰ কথাখিনি প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা।

⇨ তলত দিয়া শব্দবোৰ অভিধানত চাই অৰ্থ লিখা।

স্বাৰ্থ, দিনকণা, উৎসৱ-পাৰ্বন, পেটপূজা, কাম্পৈ, প্ৰতিফলিত।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

⇨ হোমি জাহাংগীৰ ভাবাৰ সপোন কি আছিল? এই সপোন কিয় ফলৱতী নহ'ল?

⇨ তলৰ শব্দবোৰৰ অৰ্থ উলিয়াই একোটাকৈ বাক্য সাজা।

আভ্যন্তৰীণ, গৱেষণা, বিনন্দীয়া, আপোন, বিচিত্ৰ, পৃথিৱী।

**প্ৰসংগ টোকা ঃ**

⇨ পাঠ্যপুথি — অংকুৰণ (অষ্টম ভাগ)

⇨ অসমীয়া ভাষা শিক্ষা পদ্ধতি (হলিৰাম দাস)

⇨ গুণোৎসৱ আৰু নাচ (এন এ এছ) ২০১৭ৰ ফলাফল

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ, অসম প্ৰকাশন পৰিষদৰ অভিধান

******